অসম

গুৱাহাটীত কংগ্ৰেছৰ পদযাত্ৰাত আৰক্ষীৰ বাধা: বিজেপি চৰকাৰৰ বিৰুদ্ধে সৰৱ গৌৰৱ গগৈ

সংবিধান দিৱসত গুৱাহাটীত কংগ্ৰেছৰ প্ৰতিবাদী যাত্ৰাত আৰক্ষীৰ বাধা। বিজেপি চৰকাৰক তীব্ৰ আক্ৰমণ গৌৰৱ গগৈ আৰু ভূপেশ বাঘেলৰ।

প্ৰকাশ: ২৬ নৱেম্বৰ ২০২৬, আবেলি ৬:০৩



গুৱাহাটী, ২৬ নৱেম্বৰ: সমগ্ৰ দেশৰ লগতে অসমতো প্ৰদেশ কংগ্ৰেছ কমিটীৰ উদ্যোগত বুধবাৰে সংবিধান দিৱস উদ্‌যাপন কৰা হয়। ‘ভোট বচাওক, দেশ বচাওক’ কাৰ্যসূচীৰ অংশ হিচাপে গুৱাহাটীৰ মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সৰ পৰা চচললৈ আয়োজন কৰা ‘সংবিধান ৰক্ষা যাত্ৰা’ত আৰক্ষীয়ে প্ৰবল বাধা আৰোপ কৰে। প্ৰদেশ কংগ্ৰেছৰ কাৰ্যালয়ৰ সন্মুখতে আৰক্ষীয়ে বেৰিকেড দি প্ৰতিবাদী পদযাত্ৰাটো আগবাঢ়িবলৈ নিদিয়াত দলৰ নেতা-কৰ্মীসকলে বিজেপি চৰকাৰ আৰু ভোট চুৰিৰ বিৰুদ্ধে শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে।

ইয়াৰ পূৰ্বে দলীয় কাৰ্যালয়ত অনুষ্ঠিত সভাত কংগ্ৰেছ নেতা-কৰ্মীসকলে ‘সংবিধান ৰক্ষা প্ৰতিজ্ঞা’ পাঠ কৰি নাগৰিকৰ ভোটাধিকাৰ আৰু গণতান্ত্ৰিক ব্যৱস্থা সুৰক্ষিত কৰাৰ সংকল্প গ্ৰহণ কৰে। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক তথা ছত্তীশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেল আৰু অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে মহাত্মা গান্ধী আৰু ড□ ভীমৰাও আম্বেদকাৰৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে।

প্রতিবাদী সভাত ভাষণ দি সাংসদ গৌৰৱ গগৈয়ে বিজেপি চৰকাৰ আৰু মুখ্যমন্ত্রী ড□ হিমন্ত বিশ্ব শর্মাক তীব্র সমালোচনা কৰে। গগৈয়ে কয় যে স্বাধীনতা আন্দোলনৰ সময়ত মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা ভাৰত ত্যাগ আন্দোলনত আৰ এছ্ এছে অংশ লোৱা নাছিল আৰু ১৯৪৯ চনত ড□ আম্বেদকাৰে প্রস্তুত কৰা সংবিধানখনো আৰ এছ্ এছে স্বীকাৰ কৰা নাছিল। তেওঁ কয়, "আজি তেওঁলোকে দেশপ্রেম আৰু সংবিধানৰ চার্টিফিকেট দিব বিচাৰে, কিন্তু আমাক বিজেপি-আৰ এছ্ এছ্ৰ পৰা কোনো চার্টিফিকেট নালাগে।"

ৰাজ্য চৰকাৰৰ বিৰুদ্ধে বাক স্বাধীনতা হৰণৰ অভিযোগ তুলি সাংসদগৰাকীয়ে কয় যে চৰকাৰক প্রশ্ন কৰিলেই ৰাষ্ট্রীয় সুৰক্ষা আইন বা ইউ এ পি এ লগাই কাৰাগাৰলৈ প্রেৰণ কৰা হয়। বিধানসভাত জুবিন গার্গৰ প্রসংগত মুখ্যমন্ত্রীয়ে দিয়া বক্তব্যক প্রত্যাহ্বান জনাই গগৈয়ে কয়, "সাহস আছে যদি জুবিন গার্গক কোনে হত্যা কৰিলে সেই মানুহজনৰ নাম ৰাজহুৱাভাৱে প্রকাশ কৰক।" ইয়াৰ উপৰি কেন্দ্রীয় নির্বাচন আয়োগক ব্যৱহাৰ কৰি ভোট চুৰি কৰাৰ অভিযোগ তুলি তেওঁ এই অন্যায়ৰ বিৰুদ্ধে কংগ্রেছে যুঁজ চলাই যাব বুলি স্পষ্ট কৰি দিয়ে।

সভাত এ আই চি চিৰ সাধাৰণ সম্পাদক ভূপেশ বাঘেলে অভিযোগ কৰে যে বর্তমানৰ বিজেপি চৰকাৰে সংবিধানক সকলো দিশৰ পৰা দুর্বল কৰাৰ ষড়যন্ত্র চলাইছে। তেওঁ কয় যে ভোটাধিকাৰ কাঢ়ি নিবলৈ ১৩ কোটিৰো অধিক লোকৰ নাম ভোটাৰ তালিকাৰ পৰা কর্তন কৰা হৈছে আৰু ন্যায়পালিকা তথা নির্বাচন আয়োগৰ দৰে সাংবিধানিক সংস্থাসমূহক দুর্বল কৰাৰ চেষ্টা চলিছে। এই সংগ্রামত ৰাহুল গান্ধী আৰু বিৰোধী ‘ইণ্ডিয়া’ মিত্রজোঁট ঐক্যবদ্ধ হৈ আছে বুলি তেওঁ উল্লেখ কৰে।

কার্যসূচীত এ আই চি চিৰ সম্পাদক মনোজ চৌহান, ইফতিকাৰ আহমেদ, ৰবী ভগত, সাংসদ ৰকিবুল হুছেইন, প্রাক্তন সাংসদ আব্দুল খালেক, প্রাক্তন বিৰোধী দলপতি দেৱব্রত শইকীয়া, বিধায়িনী দলৰ দলপতি ৰাজেদ আলী চৌধুৰী, উপ-দলপতি ড□ জয়প্রকাশ দাস, প্রদেশ কংগ্রেছৰ কার্যকৰী সভাপতি ৰ’জলীনা তিকী আৰু জাকিৰ হুছেইন শিকদাৰকে ধৰি ভালেসংখ্যক দলীয় বিধায়ক আৰু নেতা-কর্মী উপস্থিত থাকে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6674/congress-constitution-day-rally-guwahati-gaurav-gogoi